AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## ধৰ্ম্মধাম শুচিকৰণ

যোহন ২:১৩-১৭

## কাহিনী . . .



**যীচুৱে** সকলোৱে দেখাকৈয়ে দুখত ম্ৰিয়মান হৈ পৰিছিল, যেতিয়া তেও মন্দিৰৰ চোতালখনত প্ৰৱেশ কৰিছিল আৰু চিঞৰ বাখৰ হুলস্থুল লখ্য কৰিছিল। প্ৰত্যেকৰ হাতত তেও বলি দিবলগীয়া জন্তুবোৰ দেখিছিল আৰু বেপাৰী সকলৰ চিঞৰ বাখৰ আৰু তেওবিলাকে তীৰ্থযাত্ৰী সকলৰ লগত কৰা উচ্চ-দাম লাভৰ বাবে দৰ-দাম কৰাৰ হাই উৰুমি তেও শুনিবলৈ পাইছিল। কপৌ চৰাইৰ কু কুৰনি, ভেড়াৰ ভে ভেৰনি, আৰু বলদ গৰুৰ হেম্বেলনী ইত্যাদিৰ সৈতে জীৱজন্তুবোৰৰ গোন্ধ একেলগে মিলি এক অসহ্যকৰ পৰিবেশৰ সৃষ্টি হৈছিল।

এনেকুৱা পাগল-পন ব্যৱস্হা ঈশ্বৰৰ কেতিয়াও আচনি নাছিল। যেতিয়া চলোমনে যিৰোচালেমত প্ৰথম মন্দিৰটো নিৰ্ম্মান কৰিছিল, তেতিয়া ঈশ্বৰৰ গৃহটিৰ প্ৰতি এনেকুৱা শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰা হৈছিল যে, ইয়াৰ নিৰ্ম্মান কৰা কালত এনেকি হাতুৰীৰ এটা শব্দয়ো শুনিবলৈ পোৱা নগৈছিল। সকলোবোৰ শিল আৰু কাঠ কোনোবা ঠাইত কটা হৈছিল, তাৰ পাছত সেইবোৰ মন্দিৰলৈ অনা হৈছিল আৰু নিৰৱ-নিস্তব্ধে সেইবোৰ জোৰা লগোৱা হৈছিল (১ম ৰাজাৱলি ৬:৭)।

ভড়া বান্ধি অনা এমুঠিমান ৰছা যীচুৱে বিচাৰি পাইছিল আৰু সেই খিনিৰে তেও এডাল চাবুক বনাই লৈছিল। তাৰ পাছত ঈশ্বৰৰ পুত্ৰ জনাই তূৰীৰ মাতৰ দৰে এইদৰে কৈছিলঃ “ইয়াৰ পৰা এইবোৰ লৈ যোৱা; মোৰ পিতৃৰ ঘৰ বেপাৰৰ ঘৰ নকৰিবা”। যোহন ২:১৬। “লিখা আছে, মোৰ ঘৰকে প্ৰাৰ্থনাৰ ঘৰ বোলা হব; কিন্তু তোমালোকে তাক ডকাইতৰ গুহা কৰিছাহক”। মথি ২১:১৩। এটা স্হানৰ পৰা এনটো স্হানলৈ গৈ, তেও জীৱ-জন্তুবোৰক মুকলি কৰি এৰি দিছিল আৰু টকা সলনি কৰাবিলাকৰ মেজবোৰ লুটিয়াই দিছিল।

সৰ্ব্বশক্তিমান জনাৰ উপস্হিতিৰ উমান পাই, ভয়ত ত্ৰস্তমান হোৱা বেপাৰীবিলাকে মন্দিৰৰ চোতালৰ পৰা পিছফালে ঘুৰি নোচোৱাকৈয়ে পলাই পত্ৰং দিছিল। তেওৰ পিতৃৰ প্ৰেম আৰু শুদ্ধতাৰ বিষয়ে লোকসমুহৰ এটা সুস্পষ্ট ধাৰনা থকাতকৈ অধিক আন একো যীচুৱে বিচৰা নাছিল। সেই কাৰনেই যেতিয়া তেও পবিত্ৰ মন্দিৰটোক এখন খোলা বজাৰত পৰিনত হোৱা দেখিছিল তেওৰ অন্তৰখন দুখত ভাগি পৰিছিল।

বহু বছৰৰ আগতে, দানিয়েল ভাৱবাদীয়ে আন এটা সময়ৰ কথা কৈছিল যেতিয়া মন্দিৰটোক অশুচি কৰা হব, ঈশ্বৰৰ সত্যক বিকৃত কৰা হব আৰু তেওৰ লোকসকলক শোষণ-নিস্পেষণ কৰা হব। আৰু আকৌ এবাৰ, প্ৰভুৱে তেওৰ ধৰ্ম্মধামটোক শুচি কৰিবলৈ আহিব।



পাঠ নং-১১

# অধ্যয়ন

*প্ৰতিটো বাইবেল পদ পঢ়ি তলত দিয়া খালী ঠাইবোৰ পুৰন কৰক।*

১. দানিয়েলে এটা বিস্ময়কৰ দৰ্শন পাইছিল যত তেও দেখিছিল এটা দুই শিঙীয়া মতা ভেড়া (দানিয়েল ৮:১-৪)। এই মতা ভেড়াই কাক সূচায়?

**দানিয়েল ৮:২০** *দুটা শিং থকা যি ভেড়া তুমি দেখিছিলা, সি ____________________ আৰু ____________________ ৰজা দুজনক বুজায়।*

২. ইয়াৰ পিছত দানিয়েলে চকু দুটাৰ মাজত এটা প্ৰকান্ড শিং থকা এটা মতা ছাগ দেখিছিল। ইয়াৰ অৰ্থ কি বাৰু?

**দানিয়েল ৮:২১, ২২** *আৰু সেই নোমাল মতা ছাগ ____________________ ৰজা; আৰু তাৰ চকু দুটাৰ মাজ ঠাইত থকা ডাঙৰ শিংটো ____________________ ৰজা। আৰু সেয়ে ভাগি যোৱাৰ, আৰু তাৰ সলনি আন চাইটা শিং উতপন্ন হোৱাৰ অৰ্থ এই, সেই ৰাজ্যৰ পৰা ____________________ ৰাজ্য উতপন্ন হব, কিন্তু তাৰ নিচিনা পৰাক্ৰমী নহব।*

টোকা: মতা ছাগটোৱে গ্ৰীচক বুজায় আৰু ইয়াৰ প্ৰকান্ড শিংটো ইয়াৰ প্ৰথম ৰজা, আলেকজেন্ডাৰৰ এটা প্ৰতীক। চাৰিটা শিঙে চাৰিজন সেনাপতিক বুজায়, যিবিলাকে আলেকজেন্ডাৰৰ মৃত্যুৰ পিছত সাম্ৰাজ্যখনক ভাগ কৰি লৈছিল।

৩. ইয়াৰ পিছত সেই চাৰিটা শিঙৰ মাজৰ এটাৰ পৰা সৰু শিং এটা উতপন্ন হল। এই “সৰু শিংটোৱে” কি শক্তিক সূচায়?

**পাচনিকৰ্ম ১৮:২** *সেই কালত ক্লৌদিয়ই (চীজাৰ) আটাই যিহুদীবিলাকক ____________________ নগৰৰ পৰা গুচি যাবলৈ আজ্ঞা দিয়াত।*

টোকা: সেই সৰু শিংটো যি ঈশ্বৰৰ লোকসকলক তাড়ণা কৰিছিল, পবিত্ৰ বস্তুবোৰ ভৰিৰে গছকিছিল, আৰু উত্থান হোৱা একমাত্ৰ ৰাজ্যখন আছিল যি অতিশয়ৰূপে মহান হৈছিল।

৪. দানিয়েলক জনোৱা হৈছিল যে এই সৰু শিংটোৱে ধৰ্ম্মধাম অশুচি কৰিব। কিমান বছৰৰ পিছত ইয়াক শুচি কৰিবলগীয়া আছিল?

**দানিয়েল ৮:১৪** ________________ *হাজাৰ* ________________ *গধূলি আৰু ৰাতি-পুৱাৰ নিমিত্তে; পাছত ধৰ্ম্মধাম শুচি কৰা যাব।*

টোকা: এই ২৩০০-দিনৰ যি কাল ই বাইবেলত পোৱা আটাইতকৈ দীঘল ভাৱবানীয় সময়, কিন্তু ইয়াৰ পিছৰ অধ্যায় দানিয়েল ৯:২৫ পদলৈ নোযোৱা পৰ্য্যান্ত ইয়াৰ আৰম্ভ হোৱা সময়খিনিক দিয়া হোৱা নাছিল।

## ৫. সেই সবু শিংটোৰে যেতিয়া ঈশ্বৰৰ লোকসকলক তাড়ণা কৰা আৰু সত্যতাক বিকৃত আৰু গুপ্ত কৰা দেখিছিল তেতিয়া দানিয়েলে কেনেকুৰা প্ৰতিক্ৰিয়া দেখুৱাইছিল?

**দানিয়েল ৮:২৭** *পাছে মই দানিয়েলে মুৰ্চ্ছিত হৈ কিছু দিনলৈ ______________________ পৰি আছিলো ... সেই দৰ্শনৰ কথাত মই বিস্ময় মানিছিলো, কিন্তু কোনেও তাক নুবুজিলে।*

টোকা: ঈশ্বৰৰ লোকসকলৰ ওপৰত যি ঘটিব লগীয়া আছিল তাক দেখি দানিয়েল ইমান গভীৰভাৱে দুখ পাইছিল যে তেওঁ মুৰ্চ্ছিত হৈ পৰি গৈছিল আৰু কিছু দিনলৈ নৰিয়াত পৰি ৰৈছিল। কিন্তু প্ৰাথমিকভাৱে দানিয়েল বা তেওঁৰ বন্ধু কোনেও সেই ২৩০০ দিনৰ দৰ্শনটোক বুজিব পৰা নাছিল।

## ৬. ইয়াৰ পিছৰ অধ্যায়ত, স্বৰ্গদূতে ভাৱবানীটোৰ বিষয়ে সবিশেষ ব্যাখ্যা দাঙি ধৰিছিল। সেই সময়চোৱা কিমান দীঘলীয়া আছিল যাক আগতে দৰ্শনত জনোৱা হোৱা নাছিল?

**দানিয়েল ৯:২৪** *দৰ্শন আৰু ভাববানী মোহৰ মাৰিবলৈ ... তোমাৰ জাতিৰ আৰু তোমাৰ পবিত্ৰ নগৰৰ নিমিত্তে ______________________ ______________________ নিৰূপিত হল।*

টোকা: ২৩০০ দিনৰ বিষয়ে দানিয়েলে দৰ্শন দেখাৰ কিছু বছৰৰ পিছত, ইয়াৰ বিষয়ে বুজি পোৱাত দানিয়েলক সহায় কৰিবলৈ স্বৰ্গৰ পৰা এজন স্বৰ্গদূত লৰালৰিকৈ তেওঁৰ কাষত উপস্হিত হৈছিল। সেই স্বৰ্গদূত গৰাকীয়ে দৰ্শনটোৰ সৈতে ৭০ টা ভাৱবাদীয় সপ্তাহো অন্তৰ্ভুক্ত কৰিছিল যাক যিহুদী আৰু যিৰোচালেম নগৰখনৰ নিমিত্তে নিৰূপন বা ধাৰ্য্য কৰা হৈছিল। ঈশ্বৰে মনোনীত জাতিটোৰ নিমিত্তে আন এটা সুযোগ- এটা ৪৯০ বছৰীয়া সুবিধা প্ৰদান কৰিছিল যাতে জগতখনলৈ মচিহ জনাক উপস্হিত কৰাৰ ইয়াৰ উদ্দেশ্যটোক সম্পাদন কৰিব পাৰে (দানিয়েল ৯:২৩, ২৪)।

## ৭. ২৩০০- দিনৰ আৰু ৭০ সপ্তাহৰ ভাববানীয় সময়ৰ আৰম্ভনী তাৰিখটো কি আছিল বাৰু?

**দানিয়েল ৯:২৫** *এই হেতুকে তুমি ইয়াক জ্ঞাত হোৱা আৰু বুজি লোৱা, যে, ______________________ ______________________ আৰু নিৰ্ম্মান কৰিবৰ আজ্ঞা প্ৰকাশিত হোৱাৰে পৰা, এজন অভিষিক্ত অধিপতিলৈ সাত সপ্তাহ; আৰু বাষষ্টি সপ্তাহত সঙ্কটৰ কালতো তাৰ চক আৰু খাৱৈয়ে সৈতে তাক পুনৰায় নিৰ্ম্মান কৰা হব।*

টোকা: স্বৰ্গদূত গৰাকীয়ে দানিয়েলক ২৩০০ দিন আৰু ৭০ সপ্তাহ ভাববানীক যিৰূচালেমৰ পুনঃস্হাপন আৰু পুনঃনিৰ্ম্মান কৰিবলৈ কোৱা আদেশটোৰ পৰা হিচাপ কৰিবলৈ কৈছিল। এই সময়ত ঈশ্বৰৰ লোকসকল পাৰস্য সম্ৰাটৰ অধীনত বন্দী হৈ আছিল। এই আদেশটো অৰ্তক্ষেত্ৰ ৰজাৰ সপ্তম বছৰত জাৰি কৰা হৈছিল, যি খ্ৰীষ্টপূৱ ৪৬৪ ত ৰাজপাটত উঠিছিল (ইজ্ৰা ৭:৭)। ৪৫৭ খ্ৰীষ্টপূৱত জাৰি কৰা অৰ্তক্ষেত্ৰ ৰজাৰ আদেশ টোৱে একমাত্ৰ বিশেষ আদেশ আছিল যত যিৰূচালেমক পুনঃস্হাপন আৰু পুনঃনিৰ্ম্মান কৰিবলৈ কোৱা হৈছিল।

## ৮. স্বৰ্গদূত গৰাকীয়ে কৈছিল যে যদি তুমি ৪৫৭ খ্ৰীষ্টপূৱৰ পৰা ৬৯ সপ্তাহ হিচাপ কৰা, তেন্তে তুমি ৰাজকুমাৰ অৰ্থাত মচীহ জনালৈ আহিবা। এনে হৈছিল নে?

**পাচনিকৰ্ম ১০:৩৭, ৩৮** *যোহনে বাপ্তিস্মৰ কথা ঘোষণা কৰাৰ পাছত ... ঈশ্বৰে নাচৰতীয়া যীচুক পবিত্ৰ আত্মা আৰু মহিমাৰে ______________________ কৰিলত।*

টোকা: হয়, এনে হৈছিল। এয়া চাওক, এটা আচৰিত কাৰ্য্য। যীচুক পবিত্ৰ আত্মাৰ সৈতে অভিষেক কৰাৰ এশ বছৰৰ আগতে, এই ঘটনাটোৰ বিষয়ে ভাৱবানীত আগতীয়াকৈ কোৱা হৈছিল! "মচীহ" শব্দটোৰ অৰ্থ ইব্ৰী শব্দত "অভিষিক্ত" আৰু গ্ৰীকত ইয়াৰ অৰ্থ হৈছে "খ্ৰীষ্ট"। লূক ৩:২১, ২২ পদবোৰে পবিত্ৰ আত্মাৰ দ্বাৰাই হোৱা এই বিশেষ অভিষেক-কৰণৰ কাৰ্য্যটো তেওঁৰ বাপ্তিস্মৰ সময়ত হৈছিল বুলি কয়। এতিয়া, ইয়াত ইয়াৰ মূল কথাটোক কোৱা হল। বাইবেল ভাৱবানীত, এটা ভাৱবানীয় দিন এক আক্ষৰিক বছৰৰ সমান (গণনাপুস্তক ১৪:৩৪; যিহিস্কেল ৪:৬; লূক ১৩:৩২)। ৪৫৭ খ্ৰীষ্টপূৰ্ব্বৰ সৈতে ৬৯ সপ্তাহ, বা ৪৮৩ ভাৱবানীয় দিন (৬৯x৭=৪৮৩) যোগ কৰিলে ই আমাক ২৭ খ্ৰীষ্টাব্দলৈ লৈ আনে।

**৪৮৩ বছৰ**

**+৪৫৭ আৰম্ভনী তাৰিখ**

---

**২৬ খ্ৰীষ্টাব্দ**
**+ ১ বছৰ ১ খ্ৰীষ্টপূৰ্ব্বৰ বাবে-১ খ্ৰীষ্টাব্দ (কোনা শূণ্য বছৰ নাছিল)**

---


**২৭ খ্ৰীষ্টাব্দ**

যীচুৱে, তেওঁৰ বাপ্তিস্মৰ পিছত ২৭ খ্ৰীষ্টাব্দত মচীহ হিচাপে তেওঁৰ পৰিচৰ্য্যা আৰম্ভ কৰিছিল, ৪৫৭ খ্ৰীষ্টপূৰ্ব্বত আদেশ জাৰি কৰাৰ, ঠিক ৪৮৩ বছৰৰ পিছত। সেই কাৰনে যীচুৱে তেওঁৰ বাপ্তিস্মৰ পাছত এই বুলি প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছিল, যে "কাল সম্পূৰ্ণ হল; ঈশ্বৰৰ ৰাজ্য ওচৰ হল" মাৰ্ক ১:১৫। তেওঁ আচলতে দানিয়েল ৯:২৫ পদত দিয়া সময়সূচক ভাৱবানীৰ বিষয়ে কৈছিল।

## ৯. ভাৱবানীত ইয়াৰ পিছত আৰু কি ঘটিবলগীয়া আছিল?

**দানিয়েল ৯:২৬, ২৭** *সেই বাষষ্টি সপ্তাহৰ শেষত এজন অভিষিক্ত লোকক* ____________________ *কৰা হব, কিন্তু নিজৰ নিমিত্তে নহয় ... এক সপ্তাহলৈকে সেইজনে অনেকৰ লগত এটি দৃঢ় নিয়ম কৰিব, আৰু সেই সপ্তাহৰ* ____________________ ____________________ *বলিদান আৰু নৈবেদ্য স্হগিত কৰিব।*

টোকা: ভাৱবানীয়ে ইয়াৰ পিছত ভৱিষ্যবানী কৰিছিল যে, ৭০ সপ্তাহ ভাৱবানীৰ মাজ ভাগতে অৰ্থাত আধা কালত যীচুক উচ্ছন্ন কৰা হব অৰ্থাত ক্ৰুচবিদ্ধ কৰা হব। তেওঁৰ অভিষেক-কৰনৰ সময় ২৭ খ্ৰীষ্টাব্দৰ পৰা চাৰে তিনি বছৰ হিচাপ কৰিলে ই আমাক ৩১ খ্ৰীষ্টাব্দৰ বসন্ত কালৈলৈ লৈ আনে, আৰু ঠিক সেই সময়তেই যীচুক ক্ৰুচত দি হত্যা কৰা হৈছিল। তেওঁৰ মৃত্যু হোৱা সময়ত, মন্দিৰৰ আৰ কাপোৰখন ওপৰৰ পৰা তললৈ সম্পূৰ্ণৰূপে দুফাল হৈছিল (মথি ২৭:৫০, ৫১) যিটোৱা দেখুৱাইছিল যে যীচুৱে মেৰ পোৱালি হিচাপে তেওঁৰ মৃত্যুৰ দ্বাৰাই বলি বিধানৰ নিয়মটোক স্হগিত বা বন্ধ কৰিলে। অনুগ্ৰহ কৰি তলত দিয়া সময়ৰ ৰেখাচিত্ৰ খন চাওক।



## ১০. যীচুৱে তেওৰ শিষ্যবিলাকক প্ৰথমে কোনবিলাক মানুহৰ আগত শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ কৈছিল?

**মথি ১০:৫, ৬** *পৰজাতিবিলাকৰ কোনো বাটেদি নাযাবা ... কিন্তু তাতকৈ ____________________ হেৰোৱা মেৰৰ ওচৰলৈ যোৱা।*

**টোকা:** যীচুৱে জোৰ দিছিল যে, তেওৰ শিষ্যবিলাকে যাতে প্ৰথমতে যিহুদীবিলাকৰ মাজত প্ৰচাৰ কৰে, কাৰন মচীহ জনাক গ্ৰহণ কৰিবলৈ আৰু তেওৰ বিষয়ে ঘোষণা কৰিবলৈ তেওবলিলাকৰ নিমিত্তে নিৰূপন কৰা ৪৯০ বছৰৰ পৰা তেতিয়াও চাৰে তিনি বছৰ বাকী আছিল। দানিয়েল ৯:২৭ পদত দিয়া ভাৱবানীয়ে কৈছিল যে, যীচুৱে এক ভাৱবানীয় সপ্তাহৰ (সাতটা আক্ষৰিক বছৰ) নিমিত্তে অনেকৰ সৈতে এক নিয়ম অৰ্থাত পৰিত্ৰাণৰ মহান আচনি দৃঢ় কৰিব। কিন্তু তেওৰ মনোনীত জাতিটোৰ বাবে নিৰূপন কৰা সেই অন্তিম সপ্তাহটোৰ ঠিক মাজতে যীচুক ক্ৰুচত দি হত্যা কৰা হৈছিল, গতিকে তেও তেওৰ মৃত্যুৰ পাছত সেই নিয়মটো তেওবিলাকৰ সৈতে কেনেকৈ দৃঢ় কৰিব পাৰিছিল? ইয়াৰ উত্তৰটো ইব্ৰী ২:৩ পদত বিছাৰি পোৱা যায়, তেন্তে যি পৰিত্ৰাণ প্ৰথমে প্ৰভুৰ দ্বাৰাই কোৱা হল, আৰু শুনাবিলাকৰ দ্বাৰাই আমালৈ দৃঢ় কৰা হল.। যীচুৰ শিষ্যবিলাকে সেই চাৰি তিনি বছৰ কাল ধৰি যিহুদীবিলাকৰ মাজত প্ৰচাৰ কৰি আছিল যেতিয়ালৈকে জাতি হিচাপে সিহতে সেই শুভবাৰ্ত্তাক ৩৪ খ্ৰীষ্টাব্দত প্ৰত্যাখ্যান কৰা নাছিল আৰু সমজুৱা ভাৱে এজন ধাৰ্ম্মিক পৰিচাৰক ষ্টেফানক শিল দলিয়াই হত্যা কৰা নাছিল। ("উপগ্তি থকা সপ্তাহ" নামৰ সংযোজনটো চাব)।

## ১১. যীচুৱে তেওৰ মনোনীত জাতিটোক কি সতৰ্ক কৰিছিল?

**মথি ২১:৪৩** *তোমালোকৰ পৰা ঈশ্বৰৰ ৰাজ্য ____________________ হৈ, তাৰ ফল উতপন্ন কৰা জাতিক দিয়া হব।*

**টোকা:** যীচুৱে অতি স্পষ্টকৈ কৈছিল যে যদি যিহুদী জাতিটোৱে আকোৰগোজ ভাৱে মচীহ জনাক একেৰাহে প্ৰত্যাখ্যান কৰিয়েই থাকে তেন্তে তেওবিলাকৰ বিশেষ অধিকাৰক বাতিল কৰা হব।

## ১২. তেন্তে মথি ২১:৪৩ পদত যীচুৰ দ্বাৰাই আন কি জাতিৰ বিষয়ে কোৱা হৈছিল, যি তেওৰ মনোনীত জাতি হোৱাৰ সৌভাগ্য লাভ কৰিব?

**গালাতীয়া ৩:২৯** *আৰু তোমালোক যদি ____________________ হোৱা, তেন্তে তোমালোক অব্ৰাহামৰ বংশ, প্ৰতিজ্ঞাৰ দৰে উত্তৰাধিকাৰী।*


**ৰোমীয়া ২:২৮, ২৯** *কিয়নো বাহিৰে যি যিহুদী, তেও যিহুদী নহয় ... কিন্তু যি জন ____________________ যিহুদী, তেওহে ____________________ হয়।*

**টোকা:** ৩৪ খ্ৰীষ্টাব্দত ষ্টেফানক শিল দলিয়াই হত্যা কৰা কাৰ্য্যৰ পৰাই (পাচনিকৰ্ম্ম ৭:৫৮, ৫৯), আক্ষৰিক যিহুদী জাতিটো আৰু ঈশ্বৰৰ মনোনীত জাতি হৈ থকা নাছিল। কাৰন সিহতে একেৰাহে সিহতৰ নিমিত্তে যুগুত কৰা পৰিত্ৰাণৰ আচনিটোক প্ৰতিৰোধ কৰি আহিছিল, ইস্ৰায়েল জাতিটো অন্তিম সময়ৰ ভাৱবানীৰ আৰু মূখ্য লক্ষ্য হৈ থকা নাছিল। এতিয়াৰ পৰা যিবিলাকে যীচুক গ্ৰহন কৰে তেওবিলাকেই তেওৰ মনোনীত লোক হল, আৰু এতিয়াৰ পৰা ঈশ্বৰে যি প্ৰতিজ্ঞা আক্ষৰিক ইস্ৰায়েলৰ নিমিত্তে কৰিছিল সেই প্ৰতিজ্ঞা আত্মিক ইস্ৰায়েল বিলাকলৈকো প্ৰযোজ্য হল (ৰোমীয়া ৯:৬-৮)।

### ১৩. দানিয়েলৰ সৈতে কথা হোৱা স্বৰ্গদূত গৰাকীৰ মতে ২৩০০ বছৰৰ পিছত কি হ'বলগীয়া আছিল বাৰু?

**দানিয়েল ৮:১৪** *তাতে তেও মোক কলে, দুই হাজাৰ তিনি শ গধূলি আৰু ৰাতিপুৱাৰ নিমিত্তে; পাছত ____________________ ____________________ কৰা যাব।*

**টোকা:** ৩৪ খ্ৰীষ্টাব্দত, ২৩০০ দিনৰ ভাৱবানীৰ পৰা ১৮১০ বছৰ বাকী ৰৈছিলগৈ (তলত দিয়া চিত্ৰখন চাওক)। ১৮১০ বছৰ খিনিক ৩৪ খ্ৰীষ্টাব্দৰ সৈতে যোগ কৰিলে ই আমাক ১৮৪৪ চৰন শৰতকাললৈ লৈ আনে। স্বৰ্গদূত গৰাকীয়ে কৈছিল যে সেই সময়ত স্বৰ্গীয় ধৰ্ম্মধাম শুচি কৰা হব। (পৃথিবীৰ ধৰ্ম্মধামটোক ৭০ খ্ৰীষ্টাব্দত ধ্বংশ কৰা হৈছিল)। যীচু, আমাৰ প্ৰধান পুৰোহিত জনাই স্বৰ্গত (ইব্ৰী ৪:১৪-১৬; ৮:১-৫) ১৮৪৪ চনত স্বৰ্গৰ ধৰ্ম্মধামৰ পৰা পাপৰ ৰেকৰ্ডবোৰ আতৰ কৰিবলৈ আৰম্ভ কৰিছিল (প্ৰকাশিতবাক্য ২০:১২; পাচনিকৰ্ম্ম ৩:১৯-২১)। সোধবিচাৰৰ প্ৰথম পৰ্য্যায়টোক কোৱা হয় আগতীয়া সোধবিচাৰ কাৰন ই যীচুৰ দ্বিতীয় আগমনৰ আগতে ঘটে।




### ১৪. আগতীয়া সোধবিচাৰত কাৰ মোকৰ্দমাবোৰ বিচাৰত অনা হব?

**১ম পিতৰ ৪:১৭** *কিয়নো ____________________ ____________________ সোধ-বিচাৰৰ আৰম্ভণৰ সময় হৈছে।*

**টোকা:** এই প্ৰথম পৰ্য্যায়ৰ সোধ-বিচাৰত সেই সকল লোকৰ মোকৰ্দমাবোৰ বিচাৰত অনা হব যিবিলাকে নিজকে ঈশ্বৰৰ সন্তান বুলি দাবী কৰে।

### ১৫. প্ৰথম পৰ্য্যায়ৰ সোধ-বিচাৰত কি কি বোৰক পৰীক্ষা কৰা হব?

**ক. প্ৰকাশিতবাক্য ২০:১২** *আৰু সেই ____________________ লিখামতে, মৃতবিলাকৰ নিজ নিজ কৰ্ম্ম-অনুসাৰে সোধ-বিচাৰ কৰা হল।*

**খ. উপদেশক ১২:১৪** *কাৰন ঈশ্বৰে ভাল কি বেয়া আটাইবোৰ ____________________ বিষয়ে সৈতে সকলো ____________________ বিচাৰ স্হানলৈ আনিব।*

**গ. যাকোব ২:১২** *যিবিলাকৰ সোধ-বিচাৰ ____________________ ____________________ দ্বাৰাই হব।*

**টোকা:** সোদ-বিচাৰৰ বাবে প্ৰয়োজন হোৱা প্ৰমানবোৰ স্বৰ্গত ৰাখি থোৱা পুস্তকবোৰৰ পৰাই লোৱা হব, যত প্ৰতিজন ব্যক্তিৰ জীৱনৰ আটাইবোৰ কথা লিখি থোৱা আছে (গীতমালা ৫৬:৮ পদটোকো চাওক)। ঈশ্বৰৰ বিধান দহ-আজ্ঞাবোৰে হব সোধ-বিচাৰত, তেওৰ মানদন্ড (প্ৰকাশিতবাক্য ২২:১৪)।

## ১৬. সোধ-বিচাৰত ঈশ্বৰ মোৰ অপবাদক হব নেকি?

**প্ৰকাশিতবাক্য ১২:৯, ১০** *সেই মহা নাগক, অৰ্থাত দিয়াবল আৰু ____________________ নামেৰে বিখ্যাত হোৱা যি পুৰনি সাপে ... পৃথিবীলৈ পেলোৱা হল.... আমাৰ ভাইবিলাকৰ যি অপবাদকে দিনে-ৰাতিয়ে আমাৰ ঈশ্বৰৰ আগত তেওবিলাকৰ ____________________ দিয়ে।*

**টোকা:** নিদিয়ে! চয়তানহে আপোনাৰ অপবাদক। দুৰ্ভাগ্যজনকভাৱে, কিছুমান খ্ৰীষ্টিয়ানে ভাবে যে যীচুৱে হেনো আমাক সোধবিচাৰৰ সময়ত এৰি দিবলৈ পিতৃ ঈশ্বৰক পতিয়ন নিয়াবলৈ যত্ন কৰি আছে, কিন্তু যীচুৱে কৈছিল, পিতৃয়ে নিজেই তোমালোকক প্ৰীতি কৰে (যোহন ১৬:২৭)।

## ১৭. আগতীয়া বিচাৰত মই অকলেই থিয় হব লাগিব নেকি?

**ক.** *যীচু হৈছে আমাৰ অধিবক্তা (১ম যোহন ২:১)।*
**খ.** *যীচু হৈছে আমাৰ বিচাৰক (যোহন ৫:২২)।*
**গ.** *যীচু হৈছে আমাৰ বিশ্বাসী আৰু প্ৰকৃত সাক্ষী (প্ৰকাশিতবাক্য ৩:১৪)।*

**টোকা:** ধন্যৱাদৰ কথা যে আমি অকলশৰীয়াকৈ থিয় হব নেলাগিব। সোধ-বিচাৰত, যীচু হব খ্ৰীষ্টিয়ান বিলাকৰ উকীল, বিচাৰক, আৰু সাক্ষী। যদি আপুনি যীচুৰ হকে জীৱন-ধাৰন কৰিছে, আপুনি পৰাজিত নহব (ৰোমীয়া ৮:১; কলচীয়া ১:১২-১৪)।

# আপোনাৰ সহাৰি

*সোধ-বিচাৰত যীচু যদি আপোনাৰ উকীল হয়, তেন্তে তেও আপোনাৰ মোকৰ্দমা জয় কৰিবলৈ প্ৰতিজ্ঞা কৰিছে। আপুনি আজিয়েই আপোনাৰ জীৱনটো তেওৰ হাতত তুলি দিবনে?*

***উত্তৰ:*** ____________________

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

## উপণ্ডি থকা সপ্তাহ

কিছুমান বাইবেল ছাত্ৰ-ছাত্ৰীয়ে দানিয়েলত থকা ৪৯০ বছৰৰ ভাৱবানীৰ অন্তিম সপ্তাহ (নাইবা সাতটা আক্ষৰিক বছৰ) টোক বেলেগকৈ এৰুৱাই লয় আৰু অন্তিম সময়ত হোৱা খ্ৰীষ্টাৰিৰ কাৰ্য্যত আৰু সাত বছৰীয়া তাড়ণা সংকটত প্ৰয়োগ কৰে। এই ক্ষেত্ৰত বাইবেলৰ কোনো সমৰ্থন নাই অৰ্থাত বাইবেলে এনেকুৱা শিকোৱা নাই।

### আহক কিছুমান কথা পুনৰাই আকৌ এবাৰ চকু ফুৰাওহক:

ক. ৪৯০ বছৰৰ ভাৱবানীটো একেৰাহে চলি থকা এটা সময়, যেনেকৈ দানিয়েল ৯:২ পদত উল্লেখ কৰা মতে ঈশ্বৰৰ লোকবিলাক ৭০ বছৰৰ নিমিত্তে দেশান্তৰিত হৈছিল।

খ. ভাৱবানীৰ অন্তিম সাত বছৰৰ আৰম্ভনীৰ তাৰিখ আছিল যীচুৰ বাপ্তিস্ম (২৭ খ্ৰীষ্টাব্দ)। সেই কাৰনে তেও এইবুলি প্ৰচাৰ কৰিছিল, "কাল সম্পূৰ্ণ হল" মাৰ্ক ১:১৫।

গ. ৩১ খ্ৰীষ্টাব্দৰ বসন্তকালত ক্ৰুচৰ ওপৰত তেওৰ মৃত্যু হোৱা মুহুৰ্ত্তত, যীচুৱে চিঞৰি এইদৰে কৈছিল, "সিদ্ধ হল"। ত্ৰাণকৰ্ত্তা জনাই ইয়াত অতি স্পষ্টকৈ দানিয়েল ৯ অধ্যায়ত কৰা তেওৰ মৃত্যুৰ ভৱিষ্যতবানী টোকে "সিদ্ধ" হল বুলি উল্লেখ কৰিছে। এইবোৰ হৈছে:

১. "মচীহ জনাক" "উচ্ছন্ন" কৰা হব বা "ক্ৰুচবিদ্ধ" কৰা হব (২৬ পদ)

২. ঈশ্বৰৰ প্ৰকৃত মেৰ পোৱালি হিচাপে সকলোৰে নিমিত্তে মৃত্যুবৰন কৰাৰ দ্বাৰাই তেও "যাগ-যজ্ঞীয় বলি বিধানৰ নিয়মৰ অন্ত পেলাব" (২৭ পদ; ১ম কৰিন্থীয়া ৫:৭; ১৫:৩)।

৩. "অধাৰ্ম্মিকতাৰ বাবে হোৱা বিচ্ছেদক" তেও পুনৰ-মিলন কৰাব (২৪ পদ)

আগতীয়াকৈ কৈ থোৱাৰ দৰেই মচীহ হিচাপে সঠিক আৰু শুদ্ধ সময়ত তেওৰ আগমনে ৪৯০ আৰু ২৩০০ বছৰৰ ভাৱবানীৰ আটাইবিলাক তাৰিখ আখৰে আখৰে সঠিক বুলি প্ৰমান কৰে।


©2024 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in

অধিক উত্থানশীল, জীৱন পৰিৱৰ্ত্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক Bookstore.AFTV.in